বেমাৰত আকৌ পচলা মহৌষধ। ভিতৰত কিবা থাকিলে তাক গলাই দিব। আজিকালিৰ ডাক্তৰহে। বিশ্বাস কৰিব নোৱাৰি। কিবা থাকি যাবও পাৰে। আমাৰ শিৱসাগৰৰ দৰিকা পাৰত থকা সৰু ভাইটিৰো এবাৰ এনেকুৱা হৈছিল নহয়। দিনে-ৰাতিয়ে তিনিদিনমান পচলা খালে। সকলো চাফা। মোৰ ভাইবোৱাৰী মইনাও আকৌ বৰ লেখৰ বোৱাৰী দেই। তাই যিখন পচলা খাৰ ৰান্ধিব, উঃ খাবা আৰু। আমাৰ জামুগুৰিহাটত থকা বৰজনাৰো এবাৰ...।" "বাইদেউ, চাহ একাপ।" হঠাত কথাৰ যতি পেলালোঁ। "অ' আনা, আনা। তোমাৰ তাত চাহ একাপ খাম বুলিয়ে আহিছোঁ। পিছে মোক গাখীৰ-চেনি সৰহকৈ দিয়া চাহ একাপহে দিবা। আজিকালি ফিকা চাহ খোৱাৰহে চখ হৈ উঠিছে।"

ছছপেনটোৰ তলিৰ অৱশিষ্ট গাখীৰখিনিতে পানী চেনি ঢালি বাইদেউক খুৱাই যেনে-তেনে বিদায় দিলোঁ। বাইদেউৰ লগত কথা পাতি থকাৰ সুযোগতে বিজুৱে কেতিয়া প্ৰস্থান কৰিলে গমেই নাপালোঁ। তাৰমানে পচলা এতিয়া ময়ে কাটিব লাগিব। উপায় নাই। খবলা-খবলকৈ কটাৰীৰে কাটি লৈ পচলাখিনি কেৰাহীত বহালোঁ। মগুদাইলত অমৰা দিলোঁ আৰু সৰু আলুগুটি কেইটামান ভাজিলোঁ। এতিয়া আৰু বেলেগ কিবা এখন ৰন্ধাৰ সময় নাই। মিতু আৰু এওঁ আহি পালেহি। ৰাতিপুৱা কেণ্টিনত কিবা খালে নে নাখালে জানো। সেয়েহে লৰালৰিকৈ ডাইনিং টেবুলত ভাত বাঢ়ি দিলোঁ। বাইদেউৰ কথা মতে এওঁক ভাততকৈ পচলাৰ পৰিমাণ বঢ়াই দিলোঁ। এওঁ এগৰাহ ভাত মুখত লৈ—"এইবোৰ কি ৰান্ধিছা? গৰুক দানা দিছা নেকি?"—বুলি কৈ কাঁহীখন ঠেলা মাৰি থৈ মুখ ধুলেগৈ। মিতুৰ ফালে চাই দেখিলোঁ মুখ বিবৰ্ণ। কজলা ৰঙৰ অমৰা দিয়া দাইলেৰে কোনোমতে ভাত উদৰস্থ কৰিব পৰা নাই। আলুগুটিৰে যেনে-তেনে দুগৰাহমান খাই সামৰিলে।

শুদা পেটেৰেই দুয়োজনেই ডেৰ বজাৰ ক্লাছলৈ ওলাই গ'ল। মোৰো একো খাবলৈ মন নগ'ল। মনটো বৰ বেয়া লাগিল। ফোনটো লৈ বিছনাতে পৰিলোঁ। মালৈ বৰকৈ মনত পৰিছে। মোৰ গা-মন বেয়া লাগিলে মালৈ ফোন এটা কৰোঁ। মাৰ মুখৰ দুই-এটা ইতিবাচক কথাই মোক সজীৱ কৰি তোলে। যোৱা কেইদিন ধৰি মাৰ লগত কোনো যোগাযোগ হোৱা নাই। মায়ে বেছি চিন্তা কৰে বুলি আনকি এওঁৰ অসুখৰ কথাটোও মাক জনোৱা হোৱা নাই। সেয়েহে মাক ফোনটো লগাই সকলোখিনি কথা বিৱৰি ক'লোঁ—পেটৰ বিষৰ পৰা আৰম্ভ কৰি, ছন'গ্ৰাফি কৰা, কিডনিত এটা পাথৰ পোৱা, গুৱাহাটীৰ এখন নাৰ্ছিংহোমত লিথ'ট্ৰিপছি কৰি পাথৰ ভঙা আৰু এতিয়া প্ৰায় সুস্থ হৈ কলেজৰ ক্লাছ কৰালৈকে। মনতে ভাবিলোঁ মায়ে চাগৈ কিবা ক'ব—এইকেইদিন তোৰ বহুত চিন্তা-ভাবনা আৰু কষ্ট হৈছে। কষ্ট হ'লেও একো নহয় দে। বিশেষ একো যে ডাঙৰ অসুখ নহ'ল। পাথৰ আজিকালি বহুতৰে হয় দে, চিন্তা কৰিব নালাগে। কিন্তু মাৰচোন একো সাৰসুৰ নাই। "হেল্ল' মা" বুলি পুনৰ মাতিলোঁ। এইবাৰ বেচ গহীন সুৰত মায়ে ক'লে—"তোৰ কাৰণে তাৰ পাথৰ হ'বলৈ পালে। তই চাগৈ তাক পানী কমকৈ দিয়। চাহবোৰ বেছিকৈ দি থাক। আজিৰ পৰা সি চাহ বিচাৰিলেও পানীহে দিবি। অসুখ ভাল হ'লেও কেইমাহমান দুপৰ টেঙাৰ পাতৰ ৰস খাবলৈ দিবি। দুপৰটেঙা দুপৰীয়া সময়তহে ছিঙিবি। অন্য সময়ত টেঙা নহয়।" উপদেশবোৰ শুনি মোৰ মূৰ আচন্দ্ৰাই কৰি বিছনাত ধপচকৈ পৰি দিলোঁ। আজিচোন মাৰ উপদেশ শাহুতকৈও চাৰ। বিছনাতে পৰি ভগৱানক প্ৰাৰ্থনা কৰিলোঁ—"হে প্ৰভু! আজি ইমান দিনে পাথৰৰ বিষয়ে বহুত শুনিলোঁ, বহুত কৰিলোঁ, খবৰ কৰিবলৈ অহা বহুত আলহীক চাহ-তামোলৰ যোগান ধৰিলোঁ, আৰু নোৱাৰিছোঁ। পাথৰ পৰ্বৰ যেন ইমানতে সামৰণি মাৰা।"

ঠিকনা ঃ মাৰফৎ ঃ কামেশ্বৰ গোস্বামী, ঘৰ নম্বৰ-১০, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদ, যোৰহাট-৭৮৫০০৭, ফোন ঃ ৯৯৫৪১৮৭৮৩০

## আপদীয়া পদ্য

(১)

পেট্ৰল, ডিজেলৰ দাম দেখি কেৰাছিনৰ উঠিল গা
পঞ্চাছ টকালৈকে দাম উঠিছে এতিয়া মজা পা।
মিঠাতেলৰ দুশ টকা
দাইলৰ এশ বিছ
সকলো কথা সহ্য কৰি স্বৰ্গদেউৰ গুণ গা।

(২)

আদেশ আহিল আইন নমনাক কৰি দিবা ঠাণ্ডা,
তেনে এজন দোষীক পাই পুলিছে উঠালে দাণ্ডা।
তেওঁ আছিল দলীয় পাণ্ডা
কৰি আছিল কিবা ধাণ্ডা
চকু পকাই উভতি ধৰিলে "তহঁত আমাৰ বান্দা"।

(৩)

পুলিছ দেখি ড্ৰাগছ মাফিয়াই দাঙি ল'লে খাণ্ডা
এতিয়া আকৌ ধৰিবলৈ আহিছ আগতে নিয় চান্দা।
ডিউটিত আহিলে দেখাৰ দাণ্ডা
অনবৰতে পইচাৰ ধাণ্ডা
এইদৰেই আমাৰ পিঠিত চলাই থাক ৰান্দা।

**ফনীন্দ্ৰ নাথ গায়ন,**
পুৰণিগুদাম, মুঢ়ানি, ডাক ঃ চলচলি-৭৮২১৪১,
নগাঁও, ফোন ঃ ৯৮৫৯৪২৮২১৮

* * *

(১)

বুজি নাপাওঁ একেবাৰে ৰাজনীতিৰ মেৰপাক,
নেতাবোৰৰ কাণ্ড দেখি হওঁ মাথোঁ হতবাক,
ফুৰে দল বাগৰি,
যেন ডলাৰ বগৰী।
আমি আকৌ মিছাতে কোঁচাই মৰোঁ নাক।

(২)

অহৰহ আন্দোলন, অযথা চিঞৰ-বাখৰ
বিৰোধীৰ দাবী কিনো, সেয়াও এক সাঁথৰ,
প্ৰতিবাদ দুদিনমান,
তাৰ পাছত অৱসান।
বুজাবুজিৰ অংকটো পিছে যথেষ্ট ডাঙৰ।

(৩)

ধন ঘটাই উদ্দেশ্য নহয় বুলি কোৱা,
তেতিয়াহে বুজিম দেশক কিমান ভাল পোৱা
ক্ষমতাৰ লোভত পৰি,
কিয় কৰা আঁৰিয়া-আঁৰি।
আমিতো অবোধ নহয় বুজি নোপোৱা।

(৪)

আজিকালিৰ নেতাবোৰো হয় বেচা-কিনা,
টকাৰ আগত লোপ পায় বিচাৰ-বিবেচনা,
নামতহে দেশ সেৱা,
উদ্দেশ্য ধনী হোৱা।
সুবিধা পালেই সেয়ে সলায় নিজৰ ঠিকনা।

(৫)

প্ৰথম দুদিনমান আন্দোলন হয় জোৰদাৰ,
এনে লাগে সমস্যাবোৰ নোহোৱা হ'ব এইবাৰ,
পাছতহে আমি বুজি পাওঁ,
নেতাসকলৰ আওভাও।
সকলোৰে লক্ষ্য মাথোঁ দিছপুৰৰ চৰকাৰ।

**প্ৰাঞ্জল শইকীয়া,**
বাঁহবাৰী, বিন্দুকুৰি, তেজপুৰ-৭৮৪৫০২, ফোন ঃ
৮৪৮৬৫০৯৬০২, ৯৪৩৫৫০৭৪০৮

* * *

(১)

লকডাউন খুলিলে ভিৰ হয় বাটত
কোনেও কাকো নিচিনে মাতত
লৰা-ঢপৰা কিনো চাবা
কাৰোবাৰ ঠেলা পাবা
মাস্কে পায় থুঁতৰি, নাথাকে মুখত।

(২)

টিভিৰ পৰ্দাত চকু ফুৰাওঁ
কিজানি এছ অ' পিৰ খবৰটো পাওঁ
অনলাইনৰ অফিছেই ভাল
নাই কোনো জঞ্জাল
মাজে মাজে বিছনাত বাগৰ সলাওঁ।

**হিৰণ্য কুমাৰ গায়ন,**
গণপতি এনক্লেভ (এফ-৫), ডি পি আই বাছ ষ্টপ,
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯,
ফোন ঃ ৯৪৩৫৪০২৪৮১